# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 19-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

কেন্দ্ৰীয় মন্ত্ৰীসভাই নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থ গোট স্থাপনৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তক কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আদৰণি জনাইছে। নতুন দিল্লীত সাংবাদিকৰে সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে সাৰ কাৰখানাৰ চতুৰ্থ গোট স্থাপন কৰাটো অসমবাসীৰ এক দীৰ্ঘদিনীয়া দাবী আছিল। এই দাবী পূৰণ কৰাৰ বাবে সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকো ধন্যবাদ জ্ঞাপন কৰি কয় যে মুখ্যমন্ত্ৰীগৰাকীৰ তৎপৰতাই বিষয়টো আগবঢ়াই নিয়াত সহায় কৰিছিল। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীসভাই আজি নামৰূপত ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ বৰ্তমানৰ চৌহদত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিক টন উৎপাদনক্ষম এম'নিয়া ইউৰিয়া প্ৰকল্প স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনায়। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধক্ষ্যতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই প্ৰস্তাৱত অনুমোদন দিয়া হয়। এই প্ৰকল্পত ৰাজ্য চৰকাৰৰ ৪০ শতাংশ, ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ ১১ শতাংশ, হিন্দুস্তান উৰ্বৰক এণ্ড ৰাসায়ন লিমিটেডৰ ১৩ শতাংশ, ৰাষ্ট্ৰীয় সাৰ লিমিটেডৰ ১৮ শতাংশ আৰু অইল ইণ্ডিয়া লিমিটেডৰ ১৮ শতাংশ অংশীদাৰিত্ব থাকিব।

০০০০

ৰাজ্যত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত ঘৰ বিতৰণৰ ক্ষেত্ৰত পূৰ্বতে উত্থাপিত দুৰ্নীতিৰ অভিযোগ নোহোৱা কৰি বৰ্তমান চৰকাৰে নোপোৱা মানুহখিনিৰো ঘৰৰ তালিকা সুন্দৰ ব্যৱস্থাৰে প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কামৰূপ জিলাৰ পলাশবাৰীৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৩ লাখ ৮৮ হাজাৰ ৩৫৮ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ কেন্দ্ৰীয়ভাৱে প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এনে ব্যৱস্থাৰ অংশ হিচাপে ঘৰ নোপোৱা লোকৰ জৰীপ চলোৱাৰ বাবে কোনো ব্যক্তিৰ ঘৰলৈ জীৱিকা সখী নগ'লে বা প্ৰ-পত্ৰ পূৰণ নকৰিলে গাঁৱৰ সংঘৰ যিকোনো লোকে ফটো তুলি আপলোড কৰিব পাৰিব। এতিয়াৰেপৰা ঘৰ লগা ব্যক্তিসকলে নিজেই জিঅ' টেগিং কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

সীমান্ত সুৰক্ষা বাহিনীৰ সঞ্চালক প্ৰধান দলজিত সিং চৌধুৰীয়ে আজি শ্ৰীভূমি জিলাৰ ভাৰত-বাংলাদেশ সীমান্ত পৰিদৰ্শন কৰে। তাত তেওঁ বি এছ্ এফৰ জোৱানসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে সীমান্তত আধিপত্য স্থাপনৰ প্ৰচেষ্টাসমূহৰ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে যোৱা ১৭ মাৰ্চত ৩ দিনীয়া ভ্ৰমণসূচীৰে দলজিত চিং চৌধুৰী উত্তৰ পূৰলৈ আহিছিল। মিজোৰামত তেওঁ ভাৰত বাংলাদেশ সীমান্তৰ বি অ' পি সমূহকে ধৰি আন আন সীমান্ত নিয়ন্ত্ৰণচকীসমূহ পৰিদৰ্শন কৰে। আজি ভাৰত বাংলাদেশ সীমান্ত পৰিদৰ্শন কৰাৰ পিছতে সঞ্চালকপ্ৰধানগৰাকী পুনৰ দিল্লীলৈ ঘুৰি যায়।

০০০০

রাজ্যৰ বিভিন্ন চৰকাৰী আৰু প্ৰাদেশিকৃত মাধ্যমিক বিদ্যালয়ত দীৰ্ঘদিন ধৰি শিক্ষা সেঁতু এপত অনুপস্থিত থকা শিক্ষকসকলৰ বিৰুদ্ধে অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। ইতিমধ্যে বিভাগে অনুপস্থিত থকা শিক্ষকসকলক চিনাক্ত কৰি তেওঁলোকৰ বিৰুদ্ধে দৰমহা কৰ্তনকে ধৰি বিভাগীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে। এই সন্দৰ্ভত আজি মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাইয়ে ৰাজ্যৰ সকলো জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকলৈ এখন নিৰ্দেশনা পত্ৰ প্ৰেৰণ কৰি নিয়মীয়াকৈ শিক্ষা সেঁতু এপ নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০

মৰিগাওঁ জিলাৰ ধৰমতুল বনাঞ্চলৰ অন্তৰ্গত আমচৈত এটা বনৰীয়া হাতী আঘাতপ্ৰাপ্ত হৈ আৱদ্ধ হৈ আছে। জানিব পৰা মতে কোনো দুস্কৃতিকাৰীয়ে বনৰীয়া হাতীটোক কিছুদিন পূৰ্বে পশ্চিম কাৰ্বি আংলঙৰ পাহাৰীয়া অঞ্চলত চোকা অস্ত্ৰৰে শৰীৰৰ পিছফালে আঘাত কৰিছিল। ইয়াৰ পিছতে যোৱা সপ্তাহত হাতীটো আহি আমচৈ বনাঞ্চলত অৱস্থান লয়। স্থানীয় লোকে জনোৱা মতে, হাতীটোৰ আঘাত গুৰুতৰ হোৱা বাবে আমচৈ বনাঞ্চলৰ পৰা আঁতৰি যাব পৰা নাই। ইফালে স্থানীয় লোকে বন বিভাগে হাতীটোৰ চিকিৎসাৰ ব্যৱস্থা নকৰাৰ অভিযোগ উত্থাপন কৰিছে।

০০০০

গুৱাহাটী হাইকোৰ্ট বাৰ এছোচিয়েচনে গুৱাহাটী উচ্চ ন্যায়ালয়কে ধৰি গুৱাহাটীৰ আটাইকেইখন আদালত চৌহদ উত্তৰ গুৱাহাটীৰ ৰংমহললৈ চৰকাৰে স্থানান্তৰ কৰিবলৈ গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰোধিতা কৰিছে। আজি এই সন্দৰ্ভত হাইকোৰ্ট বাৰ এছোছিয়েছনৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত এছোছিয়েছনে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা সিদ্ধান্ত গ্ৰহণ কৰে। অহা ২৪ মাৰ্চত বাৰ এছোছিয়েছনে অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে দেশৰ ৰাষ্ট্ৰপতি, মুখ্য ন্যায়াধীশ আৰু প্ৰধানমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণৰ সিদ্ধান্ত লোৱা হয়। সদৌ অসম উকিল সন্থাইও বাৰ এছোছিয়েছনৰ এই সিদ্ধান্তক পূৰ্ণ সমৰ্থন আগবঢ়াইছে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মাজত আদালত চৌহদ স্থানান্তৰকৰণক লৈ এখন বিশেষ বৈঠক অনুষ্ঠিত হৈছিল।

০০০০

২৬ আৰু ৩০ মাৰ্চত গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট এছ'চিয়েচনৰ ষ্টেডিয়ামত হ'বলগীয়া আই পি এলৰ খেল দুখনৰ বাবে ষ্টেডিয়ামৰ সমীপৰ অস্থায়ী কাউণ্টাৰত টিকট বিক্ৰী হৈ আছে। কালিৰে পৰা টিকট কাউণ্টাৰত ছাত্ৰ-ছাত্ৰীৰ বাবে ৫০০ টকাত টিকট বিক্ৰী কৰা হৈছে। আজি দ্বিতীয় দিনা কাউণ্টাৰ খোলাৰ কিছু সময়ৰ পাছতে শিক্ষাৰ্থীৰ বাবে মুকলি কৰা ৪০০ টিকটৰ বিক্ৰী সম্পূৰ্ণ হয়। কাইলৈ পুনৰ শিক্ষাৰ্থীৰ বাবে ২০০ টিকট বিক্ৰী কৰা হ'ব। টিকট ক্ৰয়ৰ বাবে শিক্ষাৰ্থীয়ে শিক্ষানুষ্ঠানৰ সঠিক প্ৰমাণপত্ৰ দেখুৱাব লাগিব। আনহাতে, ৩০ তাৰিখৰ খেলখনৰ বাবে সাধাৰণ শ্ৰেণীৰ টিকটো অস্থায়ী কাউণ্টাৰত বিক্ৰী কৰা হৈছে। খেল দুখনৰ বাবে অনলাইনযোগে টিকট বিক্ৰী প্ৰায় শেষ হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ